# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**বুধবাৰ, ১২ আগষ্ট, ২০১৫**

## গড়কাপ্তানী (পথ,গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), পৰিকল্পনা আৰু উন্নয়ন, ন্যায়িক, বিধায়িনী, আইন, জলসিঞ্চন, ভূমি সংৰক্ষণ, পৰিবহন, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ, খনিজ আৰু খনিজাত সম্পদ, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন।

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **পুঁজি আবণ্টণ ।**

শ্ৰীভূপেন ৰায় ঃ

*৪১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙাইগাওঁ সংমগুলৰ অন্তৰ্গত বৰঘোলা-চাকলা Via টিটৌনপাৰা ৰাস্তাটোৰ ক্ৰমে আই আৰু মানাহ নৈৰ ওপৰত NLCPR শিতানৰ পৰা দুখন দলং নিৰ্মান কৰি থকা কথাটো চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত , উক্ত ৰাস্তাটোৰ ক্ষেত্ৰত একে শিতানৰ পৰা দুই লেনযুক্ত পথ নিৰ্মানৰ বাবে পুঁজি আবণ্টনৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) যদি কৰে, চলিত বিত্তীয় বৰ্ষৰ ভিতৰত পুঁজি আবণ্টনৰ ব্যৱস্থা সম্পূৰ্ণ কৰিবনে ?

*বিষয় ঃ* **কেন্দ্ৰীয় চৰকাৰৰ আবণ্টিত ধনৰ পৰিমাণ ।**

শ্ৰীআলী হুছেইন ঃ

*৪২। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ৫ টা বিত্তীয় বৰ্ষত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰিকল্পনা আৰু উন্নয়ণ শিতানৰ পৰা কিমান ধন আবণ্টন পাইছিল ? (বিত্তীয় বৰ্ষ অনুযায়ী সদনত দাখিল কৰিব)

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা আবণ্টন পোৱা এই টকাৰ কিমান শতাংশ ধন আৰু কোন শিতানত চৰকাৰে ব্যয় কৰিলে ? (বিতং তথ্য সদনত দিব)

(গ) এতিয়ালৈকে কিমান শতাংশ ধন অব্যৱহিত হৈ আছে বৰ্ষ অনুযায়ী সদনত দাখিল কৰিবনে ?

(ঘ) এই আবণ্টিত ধনৰ উপযুক্ত ব্যৱহাৰিক প্ৰমাণ পত্ৰ জমা নিদিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক পৰিকল্পনা আৰু উন্নয়ন বিভাগক ধনৰ পৰিমাণ কমাই দিয়াটো সত্যনে ?

(ঙ) যদি সত্য, তেতিয়াহলে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে কিমান ধন কমাই দিছে ? (সদনত তথ্য সহকাৰে জনাব)

*বিষয় ঃ* **Checkgate ৰ ৰাজহ সংগ্ৰহ ।**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

*৪৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত পৰিবহন বিভাগৰ অধীনত

কিমানখন Checkgate আছে ? (নাম, ঠিকনা-সহ তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত Checkgate সমূহত কিমান সংখ্যক বিষয়া-কর্মচাৰী নিয়োজিত হৈ আছে ? (পদবীসহ বিষয়া-কৰ্মচাৰীৰ তালিকা Checkgate অনুযায়ী সদনত দাখিল কৰিব)

(গ) বিগত ১৪ বছৰৰ ভিতৰত কোন কোন বিষয়া-কর্মচাৰী Checkgate সমূহত নিয়োজিত হ'ল ? ( বিষয়া কৰ্মচাৰীৰ তালিকা Checkgate অনুযায়ী নিয়োজিত হোৱাৰ আগৰ আৰু পিছৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ তালিকা সদনত দাখিল কৰিব)

(ঘ) বিগত ১৪ বছৰত উক্ত Checkgate সমূহত Daily Register মতে কিমানকৈ ৰাজহ সংগ্ৰহ হৈছিল ? (বৰ্ষ অনুযায়ী Checkgate উল্লেখ কৰি Daily Collection ৰ যাৱতীয় তালিকা authentic চহী যুক্ত পৃষ্ঠাসহ সদনত দাখিল কৰিব)

(ঙ) Checkgate সমূহত অস্থায়ী ভাবে কোনো লোকক ৰাজহ সংগ্ৰহৰ দায়িত্ব দিয়া হয় নেকি ?

(চ) যদি নহয়, তেনেকুৱা দৃষ্টি গোচৰ চৰকাৰৰ হৈছে নেকি ?

(ছ)যদি হৈছে, ব্যৱস্থা কিয় লোৱা নাই ?

*Sub :* **MLAAD & Kalpataru Scheme under Baghbar LAC.**

Shri SHERMAN ALI AHMED:

*44. Will the Minister of Planning and Development be pleased to state :

(a) Is it true that D.C., Barpeta is causing inordinate delay in according approval and issuing cheque of MLAAD Schemes of Baghbar LAC violating the provisions of Clause 2.8 and 3.8 of the revised guidelines ? (Please furnish details in respect of date of proposal, date of administrative approval & financial sanction and the date of issue of cheques for the MLAAD schemes of Baghbar LAC for the year 2013-14 & 2014-15)

(b) Is it true that administrative approval and financial sanction for an amount of Rs. 2.00 lakhs and Rs. 1.50 lakhs respectively for construction of waiting shed at 3 No. Bardoloni was accorded on 21-05-2015 but the cheque has not been issued till date ? If yes, why ?

(c) How many beneficiaries were selected under Kalpataru-component II & III during the year 2010-11, 2011-12, 2012-13 & 2013-14 under Baghbar LAC ? (Please furnish detailed list)

(d) How many of these have been disbursed and how many are yet to be disbursed ? (Please furnish year-wise detailed list alongwith the name of the Bank)

*বিষয় :* **State High Way.**

শ্ৰীমজিবুৰ ৰহমান ঃ

*৪৫ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ (হয়বৰগাওঁ) নলতলী State High Way ৰ নিবিদা (Tender) কেতিয়া গ্ৰহণ কৰা হৈছিল ? কোন কোন কোম্পানী বা ফাৰ্মে নিবিদা জমা দিছিল ? কোন কোম্পানী বা Firm ক আবণ্টন দিয়া হৈছিল আৰু কোন তাৰিখে Allotment দিয়া হৈছিল জনাবনে ? উক্ত ৰাস্তাটোৰ মুঠ আবণ্টিত পুঁজিৰ পৰিমাণ কিমান ?

(খ) বিভাগীয় মন্ত্ৰী মহোদয়াই উক্ত ৰাস্তাটোৰ আধাৰশিলা স্থাপন কৰাটো সত্যনে ? যদি সত্য , কোন

তাৰিখে আধাৰশিলা স্থাপন কৰিছিল ? উক্ত ৰাস্তাটোৰ Mobilisation Advance আৰু Machienary Advance দিয়া হৈছেনে ? যদি দিয়া হৈছে তেন্তে কিমান টকা দিয়া হৈছে ?

(গ) বৰ্তমানলৈকে এই ৰাস্তাটোৰ Physical Progress কিমান জনাবনে ?

(ঘ) বিভাগীয় নিয়ম অনুসৰি কিমান দিনৰ ভিতৰত ৰাস্তাটোৰ কাম সম্পূৰ্ণ হব লাগে জনাবনে ?

*বিষয় ঃ* **পথ মেৰামতি।**

শ্ৰীদ্বীপেন পাঠক ঃ

*৪৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে State High Way ৰ অধীনত থকা গুৱাহাটী-নলবাৰী পথছোৱাৰ কলিতাকুছিৰ পৰা বিজুলীঘাটলৈ পথছোৱাৰ দুৰৱস্থাৰ কাৰণে যাত্ৰীসকল অসুবিধাত পৰাৰ লগতে বহুতো দুৰ্ঘটনা সংঘটিত হৈছে ?

(খ) এইটোও অৱগতনে, এই পথছোৱাৰ দুৰ্গতিৰ কাৰণে স্থানীয় ৰাইজে আনকি পথ অৱৰোধ কাৰ্য্যসূচীও গ্ৰহণ কৰিছে ?

(গ) যদি অৱগত, তেন্তে প্ৰায় ৬ কিঃ মিঃ এই পথছোৱাৰ অতি সোনকালে মেৰামতিৰ ব্যৱস্থা কৰা হ'বনে ?

*বিষয় ঃ* **উত্তোলিত জলসিঞ্চন আঁচনি।**

শ্ৰীঘনশ্যাম কলিতা ঃ

*৪৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া জলসিঞ্চন সংমণ্ডলৰ অধীনস্থ শ'লমাৰী কেন্দ্ৰত থকা উত্তোলিত জলসিঞ্চন আঁচনিখন কোন চনত AIBP ত অন্তৰ্ভূক্ত হৈছিল ?

(খ)আঁচনিখনৰ কাম সম্পূৰ্ণ হৈছেনে ?

(গ) ভাৰত চৰকাৰৰ ওচৰত আঁচনিখন সম্পূৰ্ণ হোৱা বুলি জনোৱা হৈছে নেকি ?

(ঘ) যদি হৈছে, কিমান চনত সম্পূৰ্ণ হোৱা বুলি জনাইছে ?

(ঙ) আঁচনিখন যদি সম্পূৰ্ণ হৈছে, বৰ্ত্তমানলৈ কিমান বিঘা /হেক্টৰ কৃষি ভূমিত পানী যোগান ধৰিছে ?

(চ) আঁচনিখনে সামৰা জলসিঞ্চন সামৰ্থ্য কৃষি ভূমিৰ ( Irrigation Potential) পৰিমাণ কিমান ?

(ছ) আঁচনিখন আৰম্ভ কৰাৰ আগতে কৃষি বিভাগৰ পৰা Cropping Pattern আৰু Irrigation Potential নিৰূপন সন্দৰ্ভত ল'ব লগীয়া অপৰিহাৰ্য্য (Mandated) যুটীয়া নিৰিক্ষণ কৰা হৈছিলনে ?

(জ) সেই সময়ত ৰঙিয়া জলসিঞ্চন সংমণ্ডলৰ অধীনত থকা একমাত্ৰ উপ-সংমণ্ডল বিষয়াজন কোন আছিল ?

(ঝ) তেওঁৰ তদাৰকী ক্ষেত্ৰ কি আছিল ?

*বিষয় ঃ* **জৰাজীৰ্ণ বাট-পথ নিৰ্মাণ ।**

শ্ৰীআমিনুল ইছলাম ঃ

*৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ আৰু মৰিগাওঁ পথ সংমণ্ডলৰ অধীনস্থ ধিং সমষ্টিত বৰ্তমান কি কি আঁচনিৰ অধীনত কোন কোন পথ নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে ? কোন কোন পথৰ নিবিদা কেতিয়া গ্ৰহণ কৰা হ'ব আৰু কাম কেতিয়া আৰম্ভ হ'ব ?

(খ) SH-47 ৰ অন্তৰ্ভূক্ত দলৈগাৱৰ পৰা লাহৰীঘাট বজাৰলৈকে এই অংশখিনি জৰাজীৰ্ণ হৈ থকাটো চৰকাৰৰ অৱগতনে ? এই পথছোৱা কি আঁচনিৰ অধীনত কেতিয়া নিৰ্মাণ কৰা হ'ব ?

(গ) PMGSY আঁচনিৰ অধীনত ধিং সমষ্টিৰ কোন কোন পথ কোন কোন ঠিকাদাৰে নিৰ্মাণ কৰে ? আছুতীয়াকৈ ৰখা ১০ শতাংশ ধনেৰে উপৰোক্ত কোন কোন পথ মেৰামতি কৰা হয় আৰু কোন কেইটা কৰা হোৱা নাই ?

(ঘ) কৰ্ত্তব্যত গাফিলতি কৰা ঠিকাদাৰ সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

*বিষয় ঃ* **পথ পকীকৰণ ।**

শ্ৰীহেমন্ত তালুকদাৰ ঃ

*৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰ জ্ঞাতনে ৫৪ নং পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত লখৰা-গড়ভাঙ্গা পথটো প্ৰায় ১৬ কিঃ মিঃ অতি দূৰ্গম পথ ?

(খ) যদি জ্ঞাত, তেন্তে পকীকৰণৰ কিবা ব্যৱস্থা কৰিছেনে ?

(গ) যদি কৰিছে, সম্পূৰ্ণ কৰিবলৈ কেতিয়ালৈ সময় নিৰ্দ্ধাৰণ কৰিছে ?

(ঘ) বন বিভাগৰ বিভিন্ন নীতি-নিয়মৰ দোহাই দি পথটো পকীকৰণ নকৰাটো সঁচানে ?

(ঙ) গড়ভাঙ্গাৰ পৰা ১০০ মিটাৰ দূৰত্বত থকা মেঘালয় ৰাজ্যৰ ৰিভোই জিলাৰ পংকেৰ গাৱঁৰ পথ পকীকৰণৰ দৰে গড়ভাঙ্গাতো কৰিব নোৱাৰেনে ?

*বিষয় ঃ* **কাঠৰ দলং পকীকৰণ ।**

শ্ৰীস্বপন কৰ ঃ

*৫০ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্তমানে কেইখন কাঠৰ (SPT/Steel Girder) দলং পকী কৰিবলৈ (RCC) বাকী আছে ?

(খ) নগাওঁ জিলাত উক্ত ধৰণৰ দলং কেইখন আছে আৰু লামডিং সমষ্টিত কেইখন আছে, ক'ত ক'ত আছে ? (জিলা আৰু সমষ্টি ভিত্তিত তথ্য দিব)

(গ) লামডিং সমষ্টিৰ লামডিং, হাফলং পথ ছোৰাত 82/1(DLHS) আৰু 62/3 Steel Girder bridge দুখন থকা তথ্যটো সঁচা নেকি ?

(ঘ) উক্ত দলং দুখন নিৰ্মাণ কৰাৰ (RCC) দায়িত্ব কাৰ হাতত আছে তথ্য সহকাৰে জনাবনে ?

(ঙ) বৰ্তমানে জৰাজীৰ্ণ উক্ত দলং দুখনৰ নিৰ্মাণ সম্পৰ্কে বিভাগীয় কৰ্তৃপক্ষৰ হাতত কিবা পৰিকল্পনা আছে নেকি ? যদি আছে, কেতিয়া আৰম্ভ হব জনাবনে ?

*Sub :* **Special package to Borak Valley.**

Dr. RUMI NATH :

*51. Will the Minister of P.W.D. be pleased to state ?

(a) According to Hon'ble CM's commitment of Special Package to Borak Valley several schemes under PWD Department were sanctioned under Borak Valley. Is the Government aware of fact that instead of good progress of work of Road in Borak Valley most of payments of contractors are not done ? If so, why ?

(b) When the payments of contractors will be done for further progress of road for fulfilling Hon'ble CM's commitment ?

(c) Is the Government aware of fact that till today approach of bridge of MADHURAMUKH-KARATIGRAM not done yet ? If so, when the Government will take up regarding that ?

(d) Do the Government have any proposal for new bridge connecting Borkhola and Silchar Constituency as demanded by the public ? If so, furnish in details ?

*বিষয় ঃ* **মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা পথ।**

শ্ৰীৰণজিৎ কুমাৰ দাস ঃ

*৫২ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গড়কাপ্তানী বিভাগৰ সৰভোগ সমষ্টিৰ

অন্তৰ্গত বৰপেটাৰোড্-বাহঁবাৰী পথটো কি আঁচনিৰ অধীনত, কোন কোন ঠিকাদাৰক অনুমোদন দিয়া হৈছিল ?

(খ) উক্ত পথচোৱাৰ কিমান কিলোমিটাৰ মেৰামতি কৰা হ'ল আৰু কিমান কিলোমিটাৰ কৰিবলৈ এতিয়াও বাকী আছে ?

(গ) যিহেতু অহা অক্টোবৰ মাহত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দ্বাৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব আৰু উক্ত পথটো মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা একমাত্ৰ মুখ্যপথ, সেয়েহে বাকী থকা কামখিনি কেতিয়ালৈ সম্পূৰ্ণ কৰিব ?

*বিষয় ঃ* **পৰিকল্পনাৰ ধন ।**

শ্ৰীফণী ভূষণ চৌধুৰী ঃ

* ৫৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চলিত ২০১৫-১৬ বিত্তীয়বৰ্ষত বাৰ্ষিক পৰিকল্পনাৰ আকাৰ কিমান ধাৰ্য্য কৰা হৈছে ? এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ যোগাযোগৰ সবিশেষ সদনৰ মেজত দাখিল কৰিবনে ?

(খ) পৰিকল্পনা আয়োগ ভঙ্গ কৰাৰ পিছত পৰিকল্পনা শিতানৰ ধনৰ আবণ্টন থিৰাং কৰিবলৈ কি নীতি গ্ৰহণ কৰা হৈছে ? এই সম্পৰ্কীয় নীতি নিৰ্দেশনা আদিৰ প্ৰতিলিপি দাখিল কৰিবনে ?

(গ) ২০১৪-১৫ বৰ্ষত পৰিকল্পনা শিতানত অসমে কিমান টকাৰ আবণ্টন পাইছিল আৰু ইয়াৰে কিমান টকা মোকলাই দিয়া হ'ল ? কোন কোন তাৰিখে কিমান ধন মোকলাই পোৱা হৈছিল তাৰ সবিশেষ জনাবনে ?

(ঘ) কোনসমূহ শিতান / আঁচনি আদিৰ বাবে ধন পোৱা নগ'ল ? (সবিশেষ তথ্য জনাব) ইয়াৰ বাবে ধন নিদিয়াৰ কাৰণ কি জনাবনে ?

(ঙ) ২০১৪-১৫ বৰ্ষত বিভাগীয় মন্ত্ৰীৰ ২০১৩ চনৰ ১১ জুনৰ D.O.No.PDP.11/ 2013/17 নং পত্ৰ অনুসৰি ধনৰ ব্যয় হৈছেনে ? (বিভাগ অনুসৰি পৃথকে পৃথকে তথ্য জনাব)

(চ) অসমৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্ত্তন সম্পৰ্কত বিভাগৰ হাতত কি তথ্য আছে ? (সবিশেষ জনাব)

(ছ) কেন্দ্ৰীয় আঁচনিসমূহৰ ক্ষেত্ৰত থকা ৯০ঃ১০ অনুপাত পদ্ধতি সলনি কৰা হৈছে নেকি ? যদি হৈছে কোনবোৰ আঁচনিৰ ক্ষেত্ৰত হৈছে ? (কেন্দ্ৰৰ পত্ৰৰ প্ৰতিলিপি দিব)

(জ) পৰিকল্পনা আয়োগ ভঙ্গৰ পিছত নীতি আয়োগ অথবা কেন্দ্ৰীয় চৰকাৰলৈ বিভাগে প্ৰেৰণ কৰা আৰু বিভাগলৈ অহা সকলো নথি, চিঠি-পত্ৰৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিবনে ?

*বিষয় ঃ* **বৰপেটাৰ পৰা মানাহলৈ SH² নিৰ্মাণ ।**

শ্ৰীৰফিকুল ইছলাম ঃ

* ৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা মেডিকেল কলেজৰ পৰা মানাহ দলং লৈকে (SH² ) আৰু মানাহৰ পৰা শালমাৰালৈকে ৰাজ্যিক ঘাইপথছোৱা নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ হ'ব ? উক্ত পথছোৱাৰ নিবিদা আহ্বান কৰা হৈছেনে ? যদি হোৱা নাই, কেতিয়া হ'ব ?

(খ) উক্ত পথছোৱাৰ ওপৰত নিৰ্মীয়মান বেকী আৰু মানাহ দলংৰ Approach ৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব ?

(গ) বৰপেটা জিলাৰ জনীয়া সমষ্টিত প্ৰায় ২৯ টা ৰাস্তা জৰাজীৰ্ণ হৈ থকাৰ পিছতো ১০% maintenance fund ৰ টকা আজিলৈকে খৰচ কৰা নাই, চৰকাৰ অৱগতনে ? সংশ্লিষ্ট ঠিকাদাৰ সকলক Black listed কৰা হ'বনে ?

(ঘ) যদি অৱগত, উক্ত ৰাস্তা সমূহ কিমান দিনৰ ভিতৰত মেৰামতি কৰা হ'ব ?

(ঙ) ফকৰউদ্দিন আলী আহমেদ পকীপথ আৰু RIDF আঁচনিৰ অধীনত প্ৰস্তাৱিত পথ সমূহৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব ?

(চ) সৰভোগৰ পৰা কলগাছিয়ালৈ যোৱা পথছোৱা জৰাজীৰ্ণ হৈ থকাটো চৰকাৰৰ অৱগতনে ? যদি অৱগত অতি সোনকালে পথছোৱা মেৰামতি কৰি যাতায়তৰ সু-ব্যৱস্থা কৰিবনে ?

*বিষয় ঃ* **পথ মেৰামতি ।**

শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ

*৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কৰিমগঞ্জ জিলাৰ (১) বদৰপুৰৰ পৰা মালিডৰ NH-6 (২) কৰিমগঞ্জৰ পৰা বদৰপুৰ NH-37 আৰু (৩) পোৱামাৰাৰ পৰা চৰাইবাৰী NH-8 পথৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) বৰাকভেলীৰ জনসাধাৰণে প্ৰধানকৈ ব্যৱহাৰ কৰা উক্ত পথ তিনিটা বৰ্তমান চিজনত মেৰামতি নকৰিলে অধিক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ৰাস্তা বন্ধ হৈ যোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই চিজনতে মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

(গ) গোৱালপাৰাৰ পৰা চোৰেবাৰীলৈ যোৱা পথটো ARSS কোম্পানীয়ে কিমান শতাংশ কাম সম্পূৰ্ণ কৰিলে ?

(ঘ) কামটো সম্পূৰ্ণ হ'লনে ?

(ঙ) কামটো সম্পূৰ্ণ কৰিবলৈ কিমান সময় লোৱা হৈছিল ?

(চ) প্ৰকৃতাৰ্থত কামটো কিমান দিনৰ ভিতৰত শেষ কৰিব ? (নিৰ্দ্দিষ্ট সময় উল্লেখ কৰিব)

*Sub :* **Roads under PMGSY Scheme.**

HAFIZ BASHIR AHMED :

*56. Will the Minister of P.W.D. be pleased to state ?

(a) What is the present status of the roads and bridges under package No. AS-05-25, AS-05-26, AS-05-41, AS-05-42 and AS-05-43 ?

(b) When the works under above packages were started and how many years will be required for completion of the works ?

(c) Is it true, due to non completion of the works people are facing a lot of inconvenience in all respect ?

(d) Will the Government give any time frame for completion of the works ?

(e) Details of steps the Government has taken till the date ?

*বিষয় ঃ* **গোগামুখ-ঢকুৱাখানা ৰাজ্যিক ঘাইপথ ।**

শ্ৰীনব কুমাৰ দলে ঃ

*৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নিৰ্মীয়মান গোগামুখ-ঢকুৱাখানা ৰাজ্যিক ঘাইপথ ছোৱাত বৃহৎ বৃহৎ পুখুৰী সদৃশ গাঁত সৃষ্টি হৈ সমগ্ৰ অঞ্চলটোৰ ৰাইজক নৰক যন্ত্ৰণা দিয়াৰ বিষয়ে বিভাগ অৱগতনে ?

(খ) এই পথছোৱাৰ এনে অৱস্থাৰ বাবেই কোনো প্ৰসূতিক ঢকুৱাখানাৰ পৰা জিলা সদৰ লক্ষিমপুৰলৈ চিকিৎসাৰ বাবে নিব লগা হ'লে কষ্ট ভোগ কৰিবলগীয়া হয় যদিও এই ক্ষেত্ৰত বিভাগে কিয় কোনো ব্যৱস্থা হাতত লোৱা নাই ?

(গ) পথছোৱাৰ যাতায়ত সুচল কৰি ৰাইজক সকাহ দিবলৈ বিভাগে কি ব্যৱস্থা লৈছে ? যদি লোৱা নাই তেন্তে কেতিয়া ল'ব ?

(ঘ) নিৰ্মীয়মান এই পথৰ অগ্ৰগতি কিমান শতাংশ হৈছে ? এনে অগ্ৰগতিত বিভাগে সন্তুষ্টনে ? যদি সন্তুষ্ট নহয়, তেন্তে কি ব্যৱস্থা লৈছে ?

*বিষয় ঃ* **MLAAD Fund সম্পৰ্কে ।**

শ্বেখ শ্বাহ আলম ঃ

*৫৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিধায়ক সকলে বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ আচঁনিৰ প্ৰস্তাৱ কৰ্ত্তৃপক্ষক দাখিল কৰাৰ

কিমান দিনৰ ভিতৰত আচঁনি সমূহ মঞ্জুৰী আৰু পূঁজি মোকলাই দিব লাগে জনাবনে ?

(খ) উক্ত আচঁনিৰ প্ৰস্তাৱবোৰ মঞ্জুৰী দিয়াত কৰ্তৃপক্ষই দীৰ্ঘ সময় লয়, এই বিষয়ে চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত, এই আচঁনিবোৰ নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত কাৰ্য্যকৰী কৰাৰ বাবে কৰ্তৃপক্ষক নিৰ্দেশ দিয়াৰ ব্যৱস্থা কৰিবনে ?

*বিষয় ঃ* **বাৰ খোলা আৰু বন্ধ কৰাৰ সময়।**

শ্ৰীমুকুণ্ড ৰাম চৌধুৰী ঃ

*৫৯। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৃহত্তৰ গুৱাহাটী মহানগৰীত কিমানখন সুৰাৰ বিপনী আৰু বাৰ আছে জনাবনে ?

(খ) আবকাৰী বিভাগে সুৰাৰ বিপনী আৰু বাৰ সমূহ খোলা আৰু বন্ধ কৰাৰ যি সময় নিৰ্দ্ধাৰণ কৰিছিল সেই সময়ৰ সাল-সলনি কৰা হৈছে নেকি ?

(গ) যদি কৰিছে নতুনকৈ নিৰ্দ্ধাৰণ কৰা সময়সূচী জনাবনে ? (চৰকাৰৰ নিৰ্দেশ সদনত দাখিল কৰিব)

*বিষয় ঃ* **পথ আৰু দলং পকীকৰণ ।**

শ্ৰীমতী গুল আখতাৰা বেগম ঃ

*৬০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিলাসীপাৰা পূৱ সমষ্টিত কিমানটা পথ P.W.D বিভাগৰ অধীনত আছে ? (পথ সমূহৰ নাম, কি অৱস্থাত আছে বিতং তথ্য দিব)

(খ) সমষ্টিৰ অন্তৰ্গত Salkocha to Lakhiganj প্ৰায় ৬ কিলোমিটাৰ পথৰ শোচনীয় তথা জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত, স্কুলীয়া ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়ত যোৱা ৰোগী তথা ৰাইজক বহুদিনীয়া কষ্টৰ পৰা সকাহ দিবলৈ অতিশীঘ্ৰে ৰাস্তাটো পুনৰ নিৰ্মাণ কৰিবনে ?

(ঘ) যদি কৰে, কেতিয়া কৰিব ?

(ঙ) বিলাসীপাৰা পূৱ সমষ্টিত মুঠ কিমানখন কাঠৰ দলং আছে আৰু কি অৱস্থাত আছে ? (তথ্য দিব)

(চ) জৰাজীৰ্ণ অৱস্থাত থকা উক্ত দলং সমূহ অতিশীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰিবনে ?

---

A.G. P.(Mini)-116/15-L.A.Q.-700-06-08-15.